অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
কৰ্ম মোৰ সংস্কৃতি
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৭/২০২৩-২৪
*Ref :*

তাৰিখ : ০১-০১-২০২৪
*Date :*

# অসম জাতীয় বিদ্যালয়ৰ ৩১তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১ জানুৱাৰী ঃ** ১৯৯৪ চনৰ ১ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা অসম জাতীয় বিদ্যালয়ৰ আজি ৩১তম প্ৰতিষ্ঠা দিৱস। পুৱা ৯ বজাত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে পতাকা উত্তোলনেৰে দিৱসৰ কাৰ্য্যসূচী আৰম্ভ কৰে। সভাত উপস্থিত থকা ব্যক্তিসকলক উদ্দেশ্যি দিয়া আদৰণী ভাষণত অধ্যক্ষগৰাকীয়ে জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ কিছু গুৰুত্বপূৰ্ণ কথা প্ৰকাশ কৰাৰ লগতে বিদ্যালয়ৰ বৰ্তমান সময়ৰ শৈক্ষিক দিশত সংযোজন হোৱা ন ন দিশৰ কথাও আলোকপাত কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সংগীত পৰিচালক, জনপ্ৰিয় গায়ক তথা অসম জাতীয় বিদ্যালয়ৰ এগৰাকী অভিভাৱক মানস ৰবীন। মুখ্য অতিথিগৰাকীয়ে ভাষণ প্ৰসংগত গভীৰ আস্থাৰে প্ৰকাশ কৰে যে তেওঁৰ সন্তানে অসমীয়া ভাষা-সংস্কৃতি বুজি পাবলৈ এই বিদ্যালয়খন এক উৎকৃষ্ট ক্ষেত্ৰ। লগতে ল'ৰা-ছোৱালীক স্বাধীনতা দিয়াৰ লগতে অভাৱ অনুভৱ কৰিবলৈ অভিভাৱকে শিকোৱা উচিত বুলিও তেওঁ অভিভাৱকসকলক উদ্দেশ্যি কয়। শিক্ষাৰ্থীসকলে যাতে নিজে আগবাঢ়ি যোৱাৰ লগতে আন দহজনকো সহায় কৰিব পাৰে, তেনে মানসিকতাৰে পিতৃ-মাতৃয়ে সন্তানক গঢ় দিয়াৰ যত্ন কৰিব লাগে বুলিও তেওঁ কয়। 'চকু মেলি চোৱা' শীৰ্ষক গীতটি মুখ্য অতিথিগৰাকীয়ে পৰিৱেশন কৰি অনুষ্ঠানত উপস্থিত থকা সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে 'বিদ্যালয় সংগীত' পৰিৱেশন কৰে। অংকুৰ আৰু প্ৰথম শ্ৰেণীত নামভৰ্তি কৰা নতুন শিক্ষাৰ্থীসকলক মঞ্চত একোপাহকৈ ফুলেৰে অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা শুভেচ্ছা জনোৱা হয়। অসম জাতীয় বিদ্যালয়ৰ লগত নতুন অভিভাৱক হিচাপে জড়িত হোৱা অসমৰ সংগীত জগতৰ দুগৰাকী জনপ্ৰিয় সংগীত শিল্পী দিগন্ত ভাৰতী আৰু ৰূপম ভূঞাও এই অনুষ্ঠানত উপস্থিত থাকে। পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই নতুন শিক্ষাৰ্থীসকলক শিক্ষা জীৱনৰ বাবে শুভেচ্ছা জনাই চমু ভাষণ দিয়ে। অসম জাতীয় বিদ্যালয়ৰ এগৰাকী অভিভাৱিকা তৰুলতা দাসে গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়ায়। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বৰগীত আৰু নৃত্য অনুষ্ঠান পৰিবেশন কৰে। সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী নিষ্ঠা বৰগোহাঁই আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী অৰ্ণৱজ্যোতি নাথে দ্বৈত সংগীত পৰিবেশন কৰে। এই অনুষ্ঠানতে বিদ্যালয়ত নতুনকৈ যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলক আনুষ্ঠানিকভাৱে চিনাকি কৰাই দিয়া হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰাজিতা দত্ত আৰু যুথিকা পাটোৱাৰীয়ে। মুখ্য অতিথিৰ পৰিচয় দাঙি ধৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দীপক কোচে। অনুষ্ঠানটোৰ আহ্বায়ক হিচাপে সামগ্ৰিক পৰিচালনাৰ দায়িত্বত আছিল বিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী শিক্ষক ৰঘুনাথ কুমাৰ।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়